# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সভাপতিত্বত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। কামৰূপ মহানগৰ জিলা যান-বাহন আৰক্ষীৰ উপ আয়ুক্ত জয়ন্ত সাৰথি বৰা, অতিৰিক্ত জিলা আয়ুক্ত অজিত কুমাৰ শৰ্মা, পৰিবহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া তথা কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত দায়িত্বৱাহী জিলা পৰিবহন বিষয়া গৌতম দাস, কামৰূপ মহানগৰ জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব অভিজিত চৌধুৰী, জিলা পৰিবহন বিষয়া হিমাংশু কুমাৰ দাস, প্ৰৱৰ্তক পৰিদৰ্শক বিক্ৰমাদিত্য গগৈ আদিকে ধৰি জিলা পথ সুৰক্ষা সমিতিৰ লগত জড়িত লোক নিৰ্মাণ, স্বাস্থ্য আদি বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াৰ উপস্থিতিত এই গুৰুত্বপূৰ্ণ বৈঠকখন অনুষ্ঠিত হয়। বৈঠকত ডিচেম্বৰ আৰু জানুৱাৰী মাহৰ সময়ছোৱাত জিলাখনৰ সমীপৱৰ্তী অঞ্চলত বনভোজ দলৰ চালকে যাতে সুৰাপান কৰি বাহন চলাই অনাকাংক্ষিত দুৰ্ঘটনা মাতি আনিব নোৱাৰে সেই সন্দৰ্ভত অধিক সতৰ্ক হোৱাৰ লগতে সকলো সময়তে যান-বাহন আইন মানি চলাত জিলা আয়ুক্তগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত পথ সুৰক্ষাৰ লগত জড়িত বিভাগসমূহক যথাযথ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ঘাইপথৰ পথৰ ধাবাসমূহত সকলো সময়তে চোকা দৃষ্টি ৰাখিবলৈ আৱকাৰী বিভাগক জিলা আয়ুক্তই নিৰ্দেশ দিয়ে। একেদৰে নিশা কুৱলিৰ বাবে যাতে কোনো দুৰ্ঘটনা সংঘটিত নহয় তাৰ বাবে সকলো শ্ৰেণীৰ বাহনৰ চালককে অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। ইফালে, গুৰুত্বপূৰ্ণ বৈঠকখনত পথ সুৰক্ষা সজাগতাৰ বাবে ৰাজহুৱা স্থানত মাইকযোগে ঘোষণা, শৈক্ষিক প্ৰতিষ্ঠানত সজাগতা অনুষ্ঠান, ট্ৰমা কেয়াৰ চেণ্টাৰত তাৎক্ষণিকভাৱে সকলো ধৰণৰ উন্নত চিকিৎসা প্ৰদান আদি বিষয়সমূহত আলোচনা কৰা হয়।

০০০০

দ্যা গ্ৰেটাৰ কোচবিহাৰ পিপলছ এছোচিয়েচনৰ উদ্যোগত আজি আলিপুৰ দুৱাৰ সংমণ্ডলৰ অন্তৰ্গত অসম বংগ সীমান্তত পশ্চিমবংগৰ জোৰাই ৰে'ল ষ্টেচনত আজি কেইবাটাও কোচ-ৰাজবংশী সংগঠনে আহ্বান দিয়া অনিৰ্দিষ্টকালীন ৰে'ল অৱৰোধৰ ফলত ৰাজধানী এক্সপ্ৰেছকে ধৰি কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা পথ সলনি কৰিবলগীয়া হয়। এই অৱৰোধৰ বাবে আজি গুৱাহাটী আৰু নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা বন্দে ভাৰত এক্সপ্ৰেছ আৰু বঙাইগাঁও-নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা এক্সপ্ৰেছকেইখনৰো যাত্ৰা বাতিল কৰিবলগীয়া হয়। উত্তৰ-পূব সীমান্ত ৰে'লৰেই জনোৱা মতে আজি পুৱা প্ৰায় ৬ বাজি ৪৫ মিনিটত জোৰাই ৰে'ল ষ্টেচনত কেইবাহাজাৰো লোক সমবেত হৈ ৰে'ল পথত অৱস্থান কৰিবলৈ লয় আৰু ফলত সেই পথছোৱাৰে ৰে'ল চলাচল বন্ধ হৈ পৰে। উত্তৰ-পূব সীমান্ত ৰে'লৰেই ফকিৰাগ্ৰাম-গোলকগঞ্জ-নিউ কোচবিহাৰ বিকল্প পথেৰে উজনিমুৱা ব্ৰহ্মপুত্ৰ মেইল, উজনিমুৱা কামৰূপ এক্সপ্ৰেছ, ২০৫৪৩ নামনিমুৱা ৰাজধানী এক্সপ্ৰেছ, ১২৪২৩ নামনিমুৱা ৰাজধানী এক্সপ্ৰেছ, বিবেক এক্সপ্ৰেছ, কেপিটেল এক্সপ্ৰেছ, শিলচৰ-কইম্বাটুৰ এক্সপ্ৰেছ, ডিব্ৰুগড়-দেওঘৰ এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ চলাচল কৰোৱায়। এন এফ ৰে'লৰে কৰ্তৃপক্ষই জোৰাই ৰে'ল ষ্টেচনৰ সুৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি ইয়াৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই জনাইছে।

০০০০

শিৱসাগৰ জিলাৰ পঞ্চায়তসমূহৰ ফটোবিহীন খছৰা ভোটাৰ তালিকা আজি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত চুকাফা ভৱনত জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰাই এখন সংবাদ মেল সম্বোধন কৰি এই খছৰা ভোটাৰ তালিকাৰ বিস্তৃত বিৱৰণ দাঙি ধৰে। উন্নয়ন আয়ুক্তগৰাকীয়ে প্ৰদান কৰা তথ্য অনুসৰি জিলাখনৰ মুঠ আঞ্চলিক পঞ্চায়ত ৫ খন, জিলা পৰিষদ ১২ খন আৰু গাওঁ পঞ্চায়তৰ সংখ্যা ৮২০। জিলাখনৰ মুঠ ভোটাৰ হৈছে ৫ লাখ এহেজাৰ ৩২ গৰাকী আৰু ভোটগ্ৰহণ কেন্দ্ৰ হৈছে ৮৪৬ টা। এই খছৰা ভোটাৰ তালিকা কাইলৈ আৰু পৰহিলৈ পঞ্চায়ত এলেকাৰ ৰাইজে গাওঁ পঞ্চায়ত কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, জিলা পৰিষদৰ কাৰ্যালয় আৰু জিলা আয়ুক্তৰ কাৰ্যালয়ত চাব পাৰিব। তালিকাত নিজৰ নাম সংশোধন আৰু পৰিয়ালৰ কোনো মৃত সদস্যৰ নাম কৰ্তন কৰাৰ বাবে ৰাইজে অহা ১৪ ডিচেম্বৰৰ পৰা ২১ ডিচেম্বৰলৈ আবেদন কৰিব পাৰে। অহা ২২ ডিচেম্বৰৰ পৰা ২৬ ডিচেম্বৰলৈ খছৰা ভোটাৰ তালিকা সম্পৰ্কীয় ওজৰ আপত্তি নিষ্পত্তি কৰাৰ পাছত ২৮ ডিচেম্বৰত পঞ্চায়তৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি উন্নয়ন আয়ুক্তই প্ৰকাশ কৰে। তেওঁ প্ৰকাশ কৰা অনুসৰি ২০২৫ বৰ্ষৰ জানুৱাৰীত নিৰ্বাচনৰ অধিসূচনা প্ৰকাশ কৰাৰ পাছতে ফেব্ৰুৱাৰীত এই নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে।

বঙাইগাওঁ জিলাৰ পঞ্চায়তসমূহৰো আজি আনুষ্ঠানিকভাৱে খছৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। জিলাখনৰ আয়ুক্ত নৰদীপ পাঠকে ৰাজনৈতিক দলৰ প্ৰতিনিধি আৰু সাংবাদিকৰ উপস্থিতিত আয়ুক্তৰ কাৰ্যালয়ত এই ভোটাৰ তালিকা প্ৰকাশ কৰে।

০০০০০

পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি অষ্ট্ৰেলিয়াই ভাৰতক ৮৩ ৰানত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই শৃংখলাটোৰ তিনিওখন খেলতে জয়লাভ কৰি অপ্ৰতিৰোধ্য হৈ থাকে। ভাৰতে ২৯৯ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৫ অভাৰ এটা বলত আটাইকেইটা উইকেট ২১৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ স্মৃতি মান্ধানাই সৰ্বাধিক ১০৫ ৰান কৰে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৬টা উইকেট হেৰুৱাই ২৯৮ ৰান সংগ্ৰহ কৰে। ঘৰুৱা দলটোৰ হৈ এনাবেল ছাডাৰলেণ্ডে ৯৫টা বলত ১১০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অৰুন্ধতী ৰেড্ডীয়ে চাৰিটা উইকেট দখল কৰে।

০০০০

সমাপ্ত